# 2017

## ASSAMESE

( Elective )

Paper : 5.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ দিয়া : ১×১০=১০

(ক) অংকীয়া নাটত প্ৰভাৱ পৰা এবিধ অসমীয়া লোকনাট্যৰ নাম লিখা।

(খ) শংকৰদেৱে শেষ বয়সত ৰচনা কৰা নাটখনৰ নাম কি?

(গ) জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা প্ৰথম নাটখনৰ নাম কি?

(ঘ) 'মাদল' অসমৰ কোনটো জনগোষ্ঠীৰ বাদ্যযন্ত্ৰ?

(ঙ) 'মাদল' নাটখনত বৰ্ণিত জনগোষ্ঠীটোৰ মানুহখিনি কোনটো শিল্পৰ লগত জড়িত?

(চ) জগৰু কাৰ দেউতাক?

(ছ) মুহিৰাম কি কাৰ্যৰ বাবে বিখ্যাত আছিল ?

(জ) 'হাতী আৰু ফান্দী' নাটখনৰ সমাপ্তিত কি ৰসৰ উদ্ৰেক ঘটিছে ?

(ঝ) ভাৰতীয় আৰ্য ভাষাৰ স্তৰ কেইটা ?

(ঞ) 'কুনকী' মানে কি ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) সীতাৰ সখীয়েক দুগৰাকীৰ নাম কি ?

(খ) 'ভুজংগ' আৰু 'কৰিকৰ' মানে কি ?

(গ) লভিতাই মৌজাদাৰৰ ঘৰত কিয় আশ্ৰয় ল'ব লগা হৈছিল ?

(ঘ) চন্দ্ৰ মহাজনৰ অনুগত মহৰীজনৰ নাম কি আৰু তেওঁৰ স্বভাৱ কেনে আছিল ?

(ঙ) পমীৰ গিৰিহঁতৰ নাম কি আছিল ? তেওঁ কি কামৰ বাবে পাকৈত আছিল ?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰা : ৫×৪=২০

(ক) "হে মাৱ, বসুমতী, তুহু থিৰ হুয়া ৰহব ঃ" বুলি কোনে, কিয় ক'ব লগা হৈছিল ?

(খ) "হে প্ৰাণ প্ৰিয়ে, তুহু কাহেক ভয় কৰহ ঃ ও হি ৰাজাসৱ হমাক আগু কোন হয় ঃ" বুলি কোনে, কাক অভয় প্ৰদান কৰিছিল ?

(গ) "আজিকালিৰ ডেকা ল'ৰা। আজিকালি উপজিছা, সেই বুলিয়েইনে?" বুলি লভিতাই গোলাপক কিয় ক'ব লগা হৈছিল?

(ঘ) "দেউতা, আপোনাৰ চিন্তা-ভাৱনা ঘৃণাৰে বিকৃত, বোধশক্তি বিকাৰগ্ৰস্ত।" বুলি ৰুদ্ৰপ্ৰসাদে মহাজনক কোৱাৰ কাৰণ কি আছিল?

(ঙ) "পিতাই, নুচুব সেইবোৰ পইচা। নাথে তোৰ মহাজনক ভালে ভালে লৈ যা বুলিছোঁ, লৈ যা।" পমীয়ে এইদৰে মহাজনক ঘৰৰ পৰা ওলাই যাবলৈ কিয় কৈছিল?

৪। (ক) অসমীয়া নাটকৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে চমুকৈ আলোচনা কৰা। ১০

*অথবা*

(খ) অংকীয়া নাটকৰ মূল ৰস কি? 'ৰামবিজয়' নাটখনত প্ৰধানভাৱে কি ৰসৰ সঞ্চাৰ ঘটিছে, আলোচনা কৰা।

৫। (ক) 'লভিতা' নাটখনৰ মাজেৰে ভাৰতৰ স্বাধীনতা আন্দোলনৰ আভাস কেনেদৰে পাব পাৰি, আলোচনা কৰা। ১০

*অথবা*

(খ) 'লভিতা' নাটখনৰ গোলাপ নামৰ চৰিত্ৰটিক নায়ক চৰিত্ৰ বুলি আখ্যা দিব পাৰিনে? আলোচনা কৰা।

৬। (ক) 'মাদল' নাটখনৰ ৰুদ্ৰপ্ৰসাদ নামৰ চৰিত্ৰটিৰ কাৰ্যাৱলীৰ মাজেৰে প্ৰগতিবাদী চিন্তাধাৰা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

অথবা

(খ) 'মাদল' নাটখনৰ জগৰু চৰিত্ৰটিৰ সৰলতা সম্পৰ্কে আলোচনা কৰা।

৭। (ক) 'হাতী আৰু ফান্দী' নাটখনৰ মাজেৰে ফান্দীসকলৰ জীৱনচৰ্যা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

অথবা

(খ) 'হাতী আৰু ফান্দী' নাটখনৰ পমী চৰিত্ৰটিৰ নাৰীসুলভ সুকোমল অনুভূতি আৰু সাহসিকতাৰ কেনেদৰে প্ৰকাশ ঘটিছে, আলোচনা কৰা।

★★★